# REGIONAL NEWS UNIT

ALL INDIA RADIO, GUWAHATI

0000000000

**Date :** 15-OCT-2026

**Time :** 0755 HRS

## *Assamese Morning Bulletin*

——————————————————

অসম আৰু অৰুণাচল প্ৰদেশৰ আন্তঃৰাজ্যিক সীমা সমস্যা সমাধানৰ লক্ষ্যৰে কালি ধেমাজিত ষষ্ঠ আঞ্চলিক সমিতিৰ বৈঠক অনুষ্ঠিত হয়। মন্ত্ৰী জয়ন্ত মল্লবৰুৱাই অংশগ্ৰহণ কৰা এই বৈঠকত ধেমাজি জিলাৰ সীমামূৰীয়া আৰু অৰুণাচল প্ৰদেশৰ ল'ৱাৰ চিয়াং আৰু ইষ্ট চিয়াং জিলাৰ অন্তৰ্গত সীমান্তৱৰ্তী অঞ্চলসমূহৰ বিবদমান বিষয়সমূহ সন্দৰ্ভত আলোচনা কৰা হয়। বৈঠকত মন্ত্ৰী ডাঃ ৰণোজ পেগু, সাংসদ প্ৰদান বৰুৱা, বিধায়ক ভূবন পেগু আৰু জীৱন গগৈ উপস্থিত থাকে। অৰুণাচল প্ৰদেশৰ হৈ মন্ত্ৰী কেণ্ট'জিনি, বিধানসভাৰ উপাধ্যক্ষ কে নিগ্যৰ, বিধায়ক ট'জিৰ কাডু, নিনং এৰিং তথা দুয়োখন ৰাজ্যৰ শীৰ্ষ বিষয়াসকল উপস্থিত থাকে। এই সন্দৰ্ভত মন্ত্ৰী জয়ন্ত মল্লবৰুৱাই কয়, যে সীমা সমস্যাৰ সৌহাদ্যপূৰ্ণ আৰু পাৰস্পৰিকভাৱে গ্ৰহণযোগ্য সমাধানৰ পথ প্ৰশস্ত কৰিবলৈ গঠনমূলক আলোচনা, ক্ষেত্ৰভিত্তিক পৰিদৰ্শন আৰু সংসশ্লিষ্ট গাঁওসমূহৰ ৰাইজৰ সৈতে প্ৰত্যক্ষ মত বিনিময়ৰ ওপৰত গুৰুত্ব আৰোপ কৰা হয়। নামচাই ঘোষণাক আলোচনাৰ আধাৰ হিচাপে লৈ উভয় ৰাজ্যৰ মাজত সহযোগিতা আৰু পাৰস্পৰিক বুজাবুজি সুদৃঢ় কৰাৰ ওপৰত গুৰুত্ব আৰোপ কৰা হয় বুলি মন্ত্ৰীগৰাকীয়ে কয়-

**বাইট**

ইয়াৰ আগেয়ে যোৱা মঙলবাৰে অসম আৰু অৰুণাচল প্ৰদেশৰ আন্তঃৰাজ্যিক সীমা সন্দৰ্ভত আলোচনা কৰাৰ বাবে শিক্ষা তথা ভৈয়াম জনজাতি পৰিক্ৰমা মন্ত্ৰী ডাঃ ৰণোজ পেগু বিশ্বনাথ চাৰিআলিত এখন বৈঠকত মিলিত হয়। মন্ত্ৰী কেশৱ মহন্ত উপস্থিত থকা এই বৈঠকত অৰুণাচলৰ পাপুমপাৰে জিলা আৰু বিশ্বনাথ তথা লখিমপুৰ জিলাৰ সীমামূৰীয়া অঞ্চলত থকা বিবদমান বিষয় সন্দৰ্ভত আলোচনা কৰা হয়। এই বৈঠকত দুয়ো ৰাজ্যৰ সীমান্ত সম্পৰ্কীয় বিষয় আলোচনাৰ বাবে গঠিত আঞ্চলিক সমিতিৰ বিষয়ববীয়াসকল উপস্থিত থাকে। কাৰ্যসূচীত পাপুমপাৰেৰ আঞ্চলিক সমিতিৰ অধ্যক্ষ, অৰুণাচলৰ কেবিনেট মন্ত্ৰী বালো ৰাজা, অসমৰ সাংসদ ৰঞ্জিত দত্ত আৰু দুয়োখন ৰাজ্যৰ কেইবাগৰাকীও বিধায়ক উপস্থিত থাকে। এই বৈঠকত প্ৰতিবেশী ৰাজ্য দুখনৰ সীমা সম্পৰ্কীয় বিষয় আলাপ-আলোচনা আৰু বুজাবুজিৰ মাধ্যমেৰে সমাধান কৰাৰ লগতে নামচাই ঘোষণা পত্ৰ অনুসৰি শান্তিপূৰ্ণ আলোচনা অব্যাহত ৰখাৰ বাবে দুয়ো পক্ষই সহমতত উপনীত হয়।

০০০০০০

মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই আজি মুখ্যমন্ত্ৰীৰ নিযুত মইনা আৰু নিযুত বাবু আঁচনিৰ প্ৰথম কিস্তিৰ ধন মুকলি কৰিব। এই আঁচনিৰ দ্বাৰা ৫ লাখ ৪২ হাজাৰ ছাত্ৰ-ছাত্ৰী উপকৃত হ'ব। নিযুত মইনা আঁচনিৰ অধীনত একাদশ আৰু দ্বাদশ শ্ৰেণীৰ ছাত্ৰীসকলক ৮০০ টকাকৈ, স্নাতক ছাত্ৰীসকলক এহেজাৰ ২৫০ টকাকৈ, স্নাতকোত্তৰ আৰু বি.এডৰ ছাত্ৰীসকলক দুহেজাৰ ৫০০ টকাকৈ আৰু পলিটেকনিকৰ ছাত্ৰীসকলক ৮০০ টকাকৈ প্ৰদান কৰা হ'ব। একেদৰে নিযুত বাবু আঁচনিৰ অধীনত স্নাতক ছাত্ৰসকলক এহেজাৰ টকাকৈ আৰু স্নাতকোত্তৰ ছাত্ৰসকলক দুহেজাৰ টকাকৈ প্ৰদান কৰা হ'ব। এই উপলক্ষে গুৱাহাটীৰ জ্যোতি-বিষ্ণু

আন্তৰ্জাতিক কলা মন্দিৰত দিনৰ ১১ বজাত আয়োজিত কেন্দ্ৰীয় অনুষ্ঠানত  শিক্ষামন্ত্ৰী ডাঃ ৰণোজ পেগু, গুৱাহাটীৰ সাংসদ বিজুলী কলিতা মেধি, দৰং-ওদালগুৰিৰ সাংসদ দিলীপ শইকীয়া, বিধায়ক প্ৰদ্যুৎ বৰদলৈকে ধৰি আন কেইবাগৰাকী বিধায়কে অংশ ল'ব।

০০০০০০

ৰাভা হাছং, মিচিং আৰু তিৱা স্বায়ত্ত শাসিত পৰিষদক সাংবিধানিক মৰ্যাদা প্ৰদান সম্পৰ্কে আলোচনা কৰাৰ বাবে মেঘালয়ৰ প্ৰাক্তন আৰক্ষী সঞ্চালক প্ৰধান এল আৰ বিষ্ণয়ক মধ্যস্থতাকাৰী আৰু কেন্দ্ৰীয় চৰকাৰৰ প্ৰতিনিধি হিচাপে নিযুক্তি দিয়া হৈছে। কেন্দ্ৰীয় গৃহ মন্ত্ৰালয়ে এই সন্দৰ্ভত ইতিমধ্যে প্ৰয়োজনীয় নিৰ্দেশনা জাৰি কৰিছে। শিক্ষামন্ত্ৰী ডাঃ  ৰণোজ পেগুৱে কেন্দ্ৰীয় গৃহ মন্ত্ৰালয়ৰ এই সিদ্ধান্তৰ প্ৰতি আদৰণি জনাইছে। ডাঃ পেগুৱে সামাজিক মাধ্যমযোগে দিয়া এটা বাৰ্তাত কয় যে এই পদক্ষেপে জনগোষ্ঠী তিনিটাৰ আশা-আকাংক্ষা পূৰণত গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰিব।

০০০০০০

ডিব্ৰুগড় আৰু তিনিচুকীয়া জিলা প্ৰশাসনৰ নিৰ্দেশমৰ্মে সমষ্টি পুনৰ নিৰ্ধাৰণৰ পৰিপ্ৰেক্ষিতত ৰাষ্ট্ৰীয় খাদ্য সুৰক্ষা আইনৰ অধীনৰ হিতাধিকাৰীসকলক নিজ নিজ জিলাৰ অধীনৰ সুলভ মূল্যৰ এজেণ্টসকলৰ সৈতে সংযোগ কৰাৰ উদ্দেশ্যে কালি জেৰাই গাঁও পঞ্চায়তৰ কাৰ্যালয়ত এখন গুৰুত্বপূৰ্ণ সভা অনুষ্ঠিত হয়। সমষ্টি পুনৰ নিৰ্ধাৰণৰ ফলত তিনিচুকীয়া জিলাৰ একাংশ হিতাধিকাৰী ডিব্ৰুগড় জিলাৰ নৱগঠিত চাবুৱা-লাহোৱাল বিধানসভা সমষ্টিত অন্তৰ্ভুক্ত হৈছে। সভাত চাবুৱা-লাহোৱাল আৰু মাকুম বিধানসভা সমষ্টিৰ অন্তৰ্ভুক্ত সংশ্লিষ্ট হিতাধিকাৰীসকলৰ সঠিক চিনাক্তকৰণৰ ওপৰত বিশেষ গুৰুত্ব আৰোপ কৰা হয়। জেৰাই গাঁও পঞ্চায়তৰ সভাপতিৰ অধ্যক্ষতাত অনুষ্ঠিত এই সভাত প্ৰতিগৰাকী হিতাধিকাৰীৰ সঠিক প্ৰশাসনীয় জিলাভিত্তিক সংলগ্নকৰণ নিশ্চিত কৰা হয়।

০০০০০০

**সমাপ্ত**